# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-12-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
**- - - - - - - - - - - - - -**

১। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জয়ন্তীত সু-শাসন দিৱস পালন।

২। আৰক্ষীৰ অভিযানত কোকৰাঝাৰৰ পৰা দুজন জেহাদী গ্ৰেপ্তাৰ। গুৱাহাটীত আলফা স্বাধীনৰ সদস্যক আটক।

৩। ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাগত উৎসাহ উদ্দীপনাৰে বিশ্বজুৰি বৰদিন উদযাপন।

৪। কোচবিহাৰৰ মধুপুৰ সত্ৰত দুদিনীয়াকৈ আয়োজন কৰা মধুপুৰ মহোৎসৱৰ সামৰণি।

আৰু

৫। মেলবৰ্ণত কাইলৈ ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল।

ooooo

দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশতে সু-শাসন দিৱস পালন কৰা হৈছে। অসমতো ভাৰত ৰত্ন সন্মানেৰে বিভূষিত ৰাজনীতিবিদগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ উদ্যোগত সু-শাসন দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ আদাবাৰীত থকা অটল উদ্যানত অটল স্মৃতি মূৰ্তি উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে বাজপেয়ীৰ জীৱন, কৰ্ম তথা দেশৰ প্ৰতি তেওঁৰ অৱদান আধাৰিত এখন প্ৰদৰ্শনী মুকলি কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ বক্তব্যত প্ৰাক্তন প্ৰধানমন্ত্ৰী বাজপেয়ীয়ে অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত লোৱা উল্লেখনীয় ভূমিকাৰ কথা উল্লেখ কৰি এইদৰে কয়।

-বাইট-

ড° শৰ্মাই ইয়াৰ পূৰ্বে পুৱাৰ ভাগত বেলতলাৰ বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত সু-শাসন দিৱসৰ আন এটা কাৰ্যসূচীত ভাগ লয়।

বাক্সা জিলাৰ শান্তি বজাৰত বিজেপিৰ শালবাৰী মণ্ডলৰ উদ্যোগত আয়োজন কৰা সু-শাসন দিৱসৰ কাৰ্যসূচীত ভৱানীপুৰৰ বিধায়ক ফণীধৰ তালুকদাৰে অংশগ্ৰহণ কৰে। এই উপলক্ষে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে এটা পদযাত্ৰাও উলিওৱা হয়।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাতশিঙিমাৰীৰ জিলা বিজেপিৰ কাৰ্যালয়ত সু-শাসন দিৱস উপলক্ষে অটল বিহাৰী বাজপেয়ীৰ জীৱন আৰু কৰ্মৰাজী সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়।

ooooo

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে দুজন জেহাদীক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু বিস্ফোৰক সামগ্ৰী জব্দ কৰি কুটাঘাতৰ এটা ষড়যন্ত্ৰ ব্যৰ্থ কৰিছে। অসম আৰক্ষীৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াই প্ৰকাশ কৰা অনুসৰি বিশেষ কাৰ্যবাহিনীয়ে যোৱা নিশা কোকৰাঝাৰ জিলাৰ পৰা দুজন জেহাদীক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোক দুজনক আব্দুল জাহিৰ শ্বেইখ আৰু ছবিৰ মিৰ্ধা বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা এজন জেহাদীৰ স্বীকাৰোক্তিৰ ভিত্তিত চাৰিটা হস্তনিৰ্মিত ৰাইফল,৩৪ জাই গুলী, ২৪টা খালী কাৰ্টিজ, গ্ৰেণেড আৰু বুজন পৰিমাণৰ বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰে। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি আৰক্ষী মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্তৰ নেতৃত্বত বিশেষ কাৰ্যবাহিনীয়ে প্ৰঘাট অভিযানৰ অধীনত এতিয়ালৈকে ৰাজ্যখনত ১০ জন সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰিছে।

ooooo

বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি খ্ৰীষ্টধৰ্মী লোকসকলৰ পবিত্ৰ উৎসৱ বৰদিন ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজেৰে উদযাপন কৰা হৈছে। এই উপলক্ষে গীৰ্জাঘৰসমূহ সমূহীয়া প্ৰাৰ্থনাৰ লগতে কেৰলৰ ধ্বনিৰে মুখৰিত হৈ উঠিছে। গুৱাহাটীৰ বিভিন্ন অঞ্চলত থকা গীৰ্জাঘৰসমূহত আজি দুপৰীয়া আৰু সন্ধিয়া বৰদিনৰ সমূহীয়া প্ৰাৰ্থনা অনুষ্ঠিত হৈছে। নিশালৈ ঠায়ে ঠায়ে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীত বৰদিন উদযাপনৰ বিষয়ে সবিশেষ জনাইছে আমাৰ সংবাদাতা হেমন্ত বৰাই-

**ভইচ (হেমন্ত বৰা)**

ধুবুৰী জিলাৰ বিভিন্ন স্থানত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে ব্যাপক উৎসাহ-উদ্দীপনাৰে বৰদিন পালন কৰিছে। এই উপলক্ষে কালিৰেপৰা গীৰ্জাসমূহৰ লগতে নিজ নিজ বাসগৃহসমূহ ৰং-বিৰঙৰ আলোকসজ্জাৰে সজ্জিত কৰি তুলিছে। জিলাখনৰ কোনো কোনো ঠাইত ধৰ্মীয় কাৰ্যসূচীৰ লগতে সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো বৰদিন উপলক্ষে ভোজ ভাতৰ আয়োজন কৰাৰ লগতে মিঠাই, পিঠা-পনা আদি বিতৰণ কৰা হৈছে।

চিৰাং জিলাৰ শতবৰ্ষ গৰকা বামুণগাঁও গীৰ্জাত বড়ো খ্ৰীষ্টধৰ্মী লোকসকলে বৰদিন উপলক্ষে সমূহীয়া প্ৰাৰ্থনাৰ আয়োজন কৰে। কোকৰাঝাৰ চহৰতো গীৰ্জাঘৰসমূহ আটকধুনীয়াকৈ সজাই পৰাই তোলা হৈছে। শ্ৰীভূমি জিলাৰ বদৰপুৰৰ মিছন ৰোডস্থিত গীৰ্জাত উলহ-মালহেৰে বৰদিন পালন কৰা হৈছে। ৰাজ্যৰ অন্যতম পুৰণি গীৰ্জাঘৰ শিৱসাগৰৰ কেন্দ্ৰীয় ব্যাপ্তিষ্ট মণ্ডলীত বৰদিনৰ লগত সংগতি ৰাখি আজি বিশেষ উপাসনাৰ আয়োজন কৰা হয়।

বৰদিন উপলক্ষে উত্তৰ-পূৰ্বাঞ্চলৰ আন আন ৰাজ্যৰ শতাধিক গীৰ্জাত সমাজৰ শান্তি আৰু সমৃদ্ধিৰ কামনাৰে প্ৰাৰ্থনা কৰা হৈছে। কোহিমা, আইজল, তুৰা আদিকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানৰ গীৰ্জা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, বাসগৃহ, দোকান-পোহাৰ, উদ্যান আৰু বাট-পথসমূহ ৰং-বিৰঙী আলোকসজ্জা আৰু বিভিন্ন ফুলেৰে সুশোভিত কৰি তোলা হৈছে। চুবুৰীয়া ৰাজ্য মেঘালয়ৰ ৰাজধানী শ্বিলং নগৰ বৰ্তমান বৰদিনৰ আনন্দ-উল্লাসত বিভোৰ হৈ পৰা দেখা গৈছে। শ্বিলঙৰ বৰদিন উপভোগৰ বাবে দেশ-বিদেশৰ বহু পৰ্যটকৰো আগমন ঘটিছে। বৰদিনৰ আনন্দোৎসৱত ভাগ লোৱাৰ বাবে নাগালেণ্ড, মিজোৰাম আৰু মেঘালয়ত কেইবাদিনজোৰা বন্ধ ঘোষণা কৰা হৈছে। বিভিন্ন ঠাইত কাইলৈ পাৰম্পৰিক সমূহীয়া ভোজৰ আয়োজন কৰা হৈছে। ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ আৰু ছিকিমত অন্যান্য ধৰ্মীয় লোকসকলেও উছাহ-উদ্দীপনাৰে বৰদিন পালন কৰে।

আনহাতে মণিপুৰৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ বাবে ৰাজ্যখনৰ উপত্যকা আৰু পাৰ্বত্য অঞ্চলসমূহত বৰদিনৰ আনন্দ-উল্লাস কিছু ম্লান পৰা পৰিলক্ষিত হৈছে।

ooooo

কোচবিহাৰৰ মধুপুৰ সত্ৰত দুদিনীয়াকৈ আয়োজন কৰা মধুপুৰ মহোৎসৱৰ আজি সন্ধিয়া সামৰণি পৰে। আজি পুৱাৰ ভাগত সত্ৰৰ পৰা ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনুগামী ভকত-বৈষ্ণৱসকলে পদূলিয়ে পদূলিয়ে ধূপ-ধুনা দি ভাগৱত শোভাযাত্ৰাক আদৰণি জনায়। ইয়াৰ পাছত বৰপেটাৰ বিশিষ্ট সত্ৰীয়া শিল্পী নাৰায়ণ পাঠকৰ পৰিচালনাত সত্ৰৰ কীৰ্তনঘৰত পালনাম অনুষ্ঠিত হয়। মহোৎসৱত বৰপেটা ৰোড, হাউলী, সুন্দৰীদিয়া, ৰামৰায়কুটি, জিমকাটা নসত্ৰ, গৌৰীপুৰ আৰু গুৱাহাটীৰ কেইবাটাও পুৰুষ-মহিলাৰ দলে থিয়নাম পৰিৱেশন কৰে। মধুপুৰ মহোৎসৱৰ মুখ্য সম্পাদক তথা ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ কুমাৰ দীপক দাসৰ পৰিচালনাত অনুষ্ঠিত মুকলি সভাত আজি উদ্বোধনী ভাষণ প্ৰদান কৰি অসম সত্ৰ মহাসভাৰ সভাপতি জীতেন্দ্ৰ নাথ প্ৰধানীয়ে মধপুৰ সত্ৰ আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ সত্ৰ সংস্কৃতি ৰক্ষাৰ বাবে আগবাঢ়ি আহিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

ooooo

মণিপুৰ, মিজোৰাম, ওড়িশা, বিহাৰ আৰু কেৰালাত নতুন ৰাজ্যপাল নিযুক্তি দিয়া হৈছে। কালি ৰাষ্ট্ৰপতি ভৱনৰ পৰা জাৰি কৰা অধিসূচনা কৰা অনুসৰি অজয় কুমাৰ ভাল্লাক মণিপুৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে আৰু প্ৰাক্তন স্থলাসেনাধ্যক্ষ তথা কেন্দ্ৰীয় মন্ত্ৰী অৱসৰপ্ৰাপ্ত জেনেৰেল ভি কে সিঙক মিজোৰামৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। মিজোৰামৰ বৰ্তমানৰ ৰাজ্যপাল ড° হৰিবাবু কাম্ভমপতিক ওড়িশাৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। বিহাৰৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰক কেৰালাৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে।

উল্লেখযোগ্য যে ভাৰতীয় প্ৰশাসনিক সেৱাৰ অসম-মেঘালয় কেডাৰৰ বিষয়া হিচাপে কৰ্মজীৱন আৰম্ভ কৰা অজয় কুমাৰ ভাল্লাই আৰু অসম চৰকাৰৰ বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰি ৰাজ্যৰ গৃহ সচিব হিচাপেও দায়িত্ব নিৰ্বাহ কৰিছিল। ইয়াৰ পাছত তেওঁ কেন্দ্ৰীয় চৰকাৰৰ ডেপুটেশ্বন লাভ কৰে আৰু এই বছৰ আগষ্টত তেওঁ কেন্দ্ৰীয় গৃহ সচিবৰূপে অৱসৰ গ্ৰহণ কৰে।

ooooo

গোলাঘাট জিলাৰ বন সংমণ্ডলে বন্যপ্ৰাণীৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকক সহজে ক্ষতিপূৰণ প্ৰদানৰ উদ্দেশ্যে ব্যতিক্ৰমী প্ৰচেষ্টা হাতত লৈছে। ইয়াৰ অংশ হিচাপে ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে মুকলি আবেদন গ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। গোলাঘাট জিলা বন বিষয়া সুশীল কুমাৰ ঠাকুৰীয়া আৰু ৰাজহ চক্ৰ বিষয়া ৰনন্ময় ভৰদ্বাজে জিলাখনৰ ভিতৰত বন্যপ্ৰাণীৰ পৰা সৰ্বাধিক ক্ষতিগ্ৰস্ত হোৱা মৰঙী মৌজাৰ বকিয়াল বন খণ্ড কাৰ্যালয়ত নিজে উপস্থিত থাকি পীড়িতসকলৰ পৰা আবেদন গ্ৰহণ কৰিছে।

ইপিনে, পশ্চিম কাৰ্বি আংলঙৰ খেৰণিত হাতী-মানুহৰ সংঘাতৰ ফলত এজন লোক নিহত হৈছে। কুঁহিয়াৰ খেতিত কাম কৰি থকা অৱস্থাত এটা বনৰীয়া হাতীৰ আক্ৰমণত লোকজন নিহত হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

শোণিতপুৰ জিলাৰ জামুগুৰিহাটতো হাতী-মানুহৰ সংঘাতে গুৰুতৰ ৰূপ লৈছে। খেতিপথাৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বন্যহস্তীৰ উপদ্ৰৱ প্ৰতিহত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে বন বিভাগক দাবী জনাইছে।

ooooo

শিৱসাগৰ জিলাৰ পানীদিহিং পক্ষী অভয়াৰণ্যত এইবাৰ প্ৰথমবাৰৰ বাবে পানীদিহিং মহোৎসৱ অনুষ্ঠিত হৈছে। আজি পুৱা পক্ষী নিৰীক্ষণেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। স্থানীয় কেইগৰাকীমান উদ্যমী যুৱকৰ প্ৰচেষ্টাত বিবিধ থলুৱা আৰু পৰিভ্ৰমী পক্ষীৰ

আগমন ঘটা পানীদিহিং পক্ষী অভয়াৰণ্যক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

ooooo

ৰাজ্যসভাৰ সাংসদ ভূৱনেশ্বৰ কলিতাই আজি বৰপেটাৰ সাংস্কৃতিক সামাজিক অনুষ্ঠান ৰংঘৰৰ উদ্যোগত নিৰ্মিত এখন স্থায়ী নাট্য মঞ্চ আৰু প্ৰেক্ষাগৃহ মুকলি কৰে। ৰাজ্য চৰকাৰৰ অপৰিকল্পিত পুজিৰ অধীনত ১০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰেক্ষাগৃহত দুশ দৰ্শকে একেলগে নাট উপভোগ কৰাৰ সুবিধা আছে। প্ৰেক্ষাগৃহটো মুকলি কৰি শ্ৰী কলিতাই কয়, যে এই নাট্য মঞ্চই বৰপেটাৰ নাট্য ক্ষেত্ৰখনক আগবঢ়াই নিয়াৰ লগতে নতুন প্ৰজন্মক কলা-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰিব।

ooooo

গুৱাহাটীৰ লতাকটাৰ জ্ঞানপীঠ জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি অহা ১১ জানুৱাৰীত বিদ্যালয় প্ৰাঙ্গনত ন-পুৰণি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মিলন সমাৰোহৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবৰ বাবে উদ্যোক্তাসকলে বিদ্যালয়খনৰ ন-পুৰণি শিক্ষাৰ্থী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলক জ্ঞানপীঠ জাতীয় বিদ্যালয়ৰ সতীৰ্থ সন্মিলনৰ উদযাপন সমিতিৰ আহ্বায়ক তথা বিদ্যালয়ৰ সহ-শিক্ষক, শিক্ষয়িত্ৰী নৱনীতা বাঠক, পল্লৱী বৰ্মন আৰু কমল কলিতাৰ সৈতে যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

ooooo

কংগ্ৰেছে অকল ৰাজনৈতিক মুনাফাৰ বাবে বি আৰ আম্বেদকাৰৰ নাম ব্যৱহাৰ কৰা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অভিযোগ কৰিছে। গুৱাহাটীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে কংগ্ৰেছে শাসনত থকা সময়ছোৱাত নেহৰু গান্ধী পৰিয়ালৰ নামত ভালেমান প্ৰতিষ্ঠানৰ নামকৰণ কৰিছে যদিও দলটোৱে আম্বেদকাৰৰ নামত কোনো প্ৰতিষ্ঠানৰ নামকৰণ কৰা নাই। তেওঁ লগতে কংগ্ৰেছে কিয় বি আৰ আম্বেদকাৰক ভাৰতৰত্নৰে বিভূষিত কৰা নাছিল বুলি প্ৰশ্ন উত্থাপন কৰে। কংগ্ৰেছৰ কোনো কাৰ্যালয়ত বি আৰ আম্বেদকাৰৰ প্ৰতিমূৰ্তি নাই বুলিও ড০ শৰ্মাই অভিযোগ উত্থাপন কৰে। ইয়াৰ পূৰ্বে কংগ্ৰেছৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সংসদত অকল বি আৰ আম্বেদকাৰকে নহয়, বৰং সমগ্ৰ দলিত সম্প্ৰদায়ক অপমান কৰা বুলি দাবী কৰিছিল। নগাঁৱৰ সাংসদগৰাকীয়ে লগতে আম্বেদকাৰ সন্দৰ্ভত গৃহমন্ত্ৰীয়ে কৰা মন্তব্যৰ বিৰুদ্ধে কংগ্ৰেছে প্ৰতিবাদ অব্যাহত ৰাখিব বুলিও প্ৰকাশ কৰিছে।

ooooo

উত্তৰ-পূৰ্বাঞ্চলৰ ৰেডিঅ' শ্ৰোতা সংঘ অনাতাঁৰ মৰম পৰিয়ালৰ পঞ্চদশ প্ৰতিষ্ঠা দিৱস আজি ধেমাজি জিলাৰ চিলাপথাৰত অনুষ্ঠিত হয়। এই উপলক্ষে শ্ৰোতা সংঘই আকাশবাণী গুৱাহাটীৰ অনুষ্ঠানসমূহৰ মুৰব্বী কাৰ্তিক সূত্ৰধৰলৈ ২০২৪ বৰ্ষৰ শ্ৰোতা প্ৰেৰণা বঁটা আৰু চৰাইদেউ জিলাৰ চফ্ৰাইৰ জালালুদ্দিন হালদাৰলৈ মৰণোত্তৰভাৱে অনাতাঁৰ শ্ৰোতা বন্ধু বঁটা আগবঢ়ায়। উল্লেখযোগ্য যে ৰেডঅ'ৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি অহা এই পৰিয়ালটি মাজুলীত ২০১০ চনৰ আজিৰ দিনটোতে গঠন কৰা হৈছিল।

ooooo

গুৱাহাটী-উত্তৰ গুৱাহাটীৰ নিৰ্মীয়মান দলঙৰ সমীপত আজি পুৱা বাঘৰ আক্ৰমণত এজন যুৱক গুৰুতৰভাৱে আহত হয়। সম্প্ৰতি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালত চিকিৎসাধীন হৈ থকা যুৱকজন ভৰলুমুখৰ উদয় ঘোষ বুলি জানিব পৰা গৈছে।

ooooo

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি নলবাৰীৰ চৰকাৰী গৰ্ডন বিদ্যালয় খেলপথাৰত নলবাৰী বিধানসভা সমষ্টি পৰ্যায়ৰ খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ উদ্বোধন কৰে। এই প্ৰতিযোগিতা নলবাৰী সমষ্টিৰ ডেৰ হাজাৰতকৈ অধিক ক্ৰীড়া প্ৰতিভাই অংশগ্ৰহণ কৰিছে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰৰ খেল মহাৰণৰ প্ৰথম পৰ্যায়ে অকল খেলুৱৈসকলকে আকৰ্ষিত কৰাই নহয়, বৰং খেলৰ প্ৰতি নতুনৰ আকৰ্ষণো বৃদ্ধি কৰিছে। খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ে ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰত নতুন জাগৰণৰ সূচনা কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল কাইলৈ মেলবৰ্ণত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি পুৱা ৫ বজাত আৰম্ভ হ'ব। দুয়োটা দলে বৰ্তমানলৈকে পাঁচখনীয়া শৃংখলাটোত একোখনকৈ খেলত জয়লাভ কৰিছে।

ooooo

শুৱালকুছিৰ গান্ধী আশ্ৰমত আজি অঞ্চলটোৰ সাহিত্যনুষ্ঠান সেউজী চ'ৰাৰ ৩৫ সংখ্যক বাৰ্ষিক সভা অনুষ্ঠিত হয়। অনুষ্ঠানত মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, মহাপুৰুষীয়া ধৰ্মালোচনী সভা, ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, মুকলি সভা, গ্ৰন্থ উন্মোচন আদি কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অনুষ্ঠানত ৰাজ্যৰ কেইবগৰাকীও বিশিষ্ট ব্যক্তিৰ লগতে প্ৰায় দুই শতাধিক কবি, সাহিত্যিক তথা সাহিত্য অনুৰাগীয়ে অংশগ্ৰহণ কৰে।

ooooo

মৰিগাঁও মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট সমাজকৰ্মী সুধীৰ কুমাৰ বৰঠাকুৰৰ আজি বিয়লি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪ বছৰ। প্ৰয়াত বৰঠাকুৰ জিলাখনৰ কেইবাখনো শিক্ষানুষ্ঠানৰ সৈতে জড়িত আছিল।

ooooo

সমাপ্ত